# প্ৰকৃতি আৰু নাৰী : অসমীয়া নিৰ্বাচিত চলচ্চিত্ৰত পাৰিপাৰ্শ্বিক নাৰীবাদী দৃষ্টিভংগীৰ এক অৱলোকন

[1]মৃগাক্ষী বৰা

*Research scholar*
*Assamese department*
*Birangana Sati Sadhani Rajyik Vishwavidyalaya.*

***সংক্ষিপ্তসাৰ***

*অতীজৰে পৰা নাৰীৰ আৰু প্ৰকৃতিৰ মাজত আছে এক আধ্যাত্মিক সম্বন্ধ। এই সুগঢ়িত সম্বন্ধৰ বাবেই কেতিয়াও নাৰী প্ৰকৃতিৰপৰা পৃথক নহয়। অসমীয়া সংস্কৃতিত প্ৰকৃতি আৰু নাৰীৰ মাজৰ সম্পৰ্ক এক ঐতিহাসিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক সম্পৰ্ক। চলচ্চিত্ৰ হৈছে সমাজৰ প্ৰতিফলন। অৰ্থাৎ ই হৈছে এক সাংস্কৃতিক পাঠ। অসমীয়া চলচ্চিত্ৰত প্ৰকৃতি কেৱল দৃশ্যগত পটভূমি নহয়; বৰঞ্চ প্ৰকৃতি নাৰীৰ জীৱন, পৰিচয় আৰু সামাজিক অৱস্থান গঢ় দিয়াত সক্ৰিয় ভূমিকা পালন কৰে। বন, নদী, পথাৰ আদিক নাৰী স্বাধীনতাৰ পথৰূপে চিত্ৰিত কৰা হৈছে। কৃষি, ভূমি দখল, খৰাং, বানপানী আদি প্ৰাকৃতিক বিপৰ্যৰ লগত নাৰী নিৰ্যাতন আৰু সামাজিক আধিপত্য প্ৰতিফলিত হৈছে।পাৰিপাৰ্শ্বিক নাৰীবাদে যুক্তি আগবঢ়ায় যে পুৰুষতান্ত্ৰিক ক্ষমতাৰ কাঠামোৱে নাৰী আৰু প্ৰাকৃতিক পৰিবেশ দুয়োটাকেই একে সময়তে শোষণ আৰু নিয়ন্ত্ৰণ কৰে। এই গৱেষণা পত্ৰৰ মূল উদ্দেশ্য হৈছে অসমীয়া চলচ্চিত্ৰসমূহত নাৰী-পৰিৱেশৰ সম্পৰ্ক কিদৰে উপস্থাপিত হৈছে আৰু সেই উপস্থাপনাই কেনেদৰে পুৰুষতান্ত্ৰিক সমাজখনক বিৰুদ্ধে প্ৰশ্ন উত্থাপন কৰিছে সেই সম্পৰ্কে বিশ্লেষণ কৰা।*

ত

**বীজশব্দ :**
*অসমীয়া চলচ্চিত্ৰ , পাৰিপাৰ্শ্বিক নাৰীবাদ, প্ৰকৃতি, নাৰী*

**Article History:**
Received on 16 December, 2026
Accepted on 21 January, 2026

**বিষয়ৰ পৰিচয়**

নাৰী আৰু প্ৰকৃতি দুয়োয়েই জীৱনদায়িনী শক্তি। সেয়ে আমাৰ সংস্কৃতিত নাৰীক প্ৰকৃতিৰ ৰূপ বুলিয়ে গণ্য কৰা হয়। কিয়নো প্ৰকৃতিয়ে যিদৰে জীৱকুলৰ সুৰক্ষা আৰু লালন-পালন কৰি আহিছে, এগৰাকী নাৰীয়েই ঘৰখনৰ, নিজ সন্তানৰ সুৰক্ষা আৰু লালন-পালন কৰি আহিছে। নাৰীৰ এই মাতৃত্বভাৱ, প্ৰকৃতিৰ সৈতে এক। মুঠতে প্ৰকৃতি আৰু নাৰী উভয়ে এক স্বাভাবিক ছন্দেৰে বান্ধ খাই আছে। পুৰুষতান্ত্ৰিক সমাজব্যৱস্থাই যিধৰণে নাৰীক অধীন কৰি ৰাখে , ঠিক একেদৰেই পুৰুষৰ এই শোষণমুখী মানসিকতা প্ৰাকৃতিক সম্পদ আৰু পৰিৱেশৰ ওপৰতো প্ৰয়োগ কৰে। সেয়েহে নাৰীমুক্তি আৰু পৰিৱেশ সুৰক্ষা ই কোনো পৃথক বিষয় নহয় ,বৰঞ্চ একেই মুদ্ৰাৰ ইপিঠি সিপিঠি। নাৰী আৰু প্ৰকৃতিৰ সম্পৰ্কৰ ক্ষেত্ৰত 'পাৰিপাৰ্শ্বিক নাৰীবাদ' বা Ecofeminism বিষয়টো এটা গুৰুত্বপূৰ্ণ বিষয়। লোকসাহিত্য, কলা, সংস্কৃতি, দৰ্শন আদিৰ মাজেৰে অতি প্ৰাচীন কালৰে পৰাই নাৰী আৰু প্ৰকৃতিৰ এই সম্পৰ্কক অন্বেষণ কৰি আহিছে।

অসমীয়া চলচ্চিত্ৰই আৰম্ভণিৰে পৰা সমাজৰ বাস্তৱতা, মানৱিক সংকট, গ্ৰাম্য জীৱন, ভূমিৰ সৈতে মানুহৰ সম্পৰ্ক, নাৰী জীৱন, সামাজিক বৈষম্যক গুৰুত্ব সহকাৰে উপস্থাপন কৰি আহিছে। সমসাময়িক অসমীয়া চলচ্চিত্ৰত পৰিৱেশ নিজেই এক চৰিত্ৰৰ ৰূপ লৈ সমাজিক দ্বন্দ্ব আৰু নাৰীৰ জীৱনসংগ্ৰাম স্পষ্ট কৰি তুলিছে। বিশেষকৈ ভিলেজ ৰকষ্টাৰচ , ভিলেজ ৰকষ্টাৰচ টু, কথানদী, বুলবুল কেন চিং আদি চলচ্চিত্ৰসমূহত নাৰী চৰিত্ৰসমূহক পৰিৱেশৰ সৈতে গভীৰভাৱে সংযুক্ত এটা জীৱিত সত্তা হিচাপে চিত্ৰিত কৰা হৈছে। চলচ্চিত্ৰ কেৱল বিনোদনৰ মাধ্যম নহয়, ই হৈছে সাংস্কৃতিক পাঠ। উক্ত গৱেষণা পত্ৰৰ জৰিয়তে অসমীয়া চলচ্চিত্ৰত নাৰী আৰু পৰিৱেশৰ মাজত থকা সম্পৰ্ক পাৰিপাৰ্শ্বিকনাৰীবাদী তত্ত্বৰ আলোত বিশ্লেষণ কৰা হৈছে।

**গৱেষণাৰ উদ্দেশ্য**

প্ৰস্তাৱিত গৱেষণাকৰ্মৰ প্ৰধান উদ্দেশ্যসমূহ হৈছে —

- অসমীয়া (নিৰ্বাচিত) চলচ্চিত্ৰসমূহত পাৰিৱেশিক চিন্তা আৰু নাৰীবাদী দৃষ্টিভংগীৰ মাজত কিদৰে আন্তঃ সংযোগ প্ৰতিফলিত কৰা হৈছে, এই বিষয়ে বিশ্লেষণ কৰা গৱেষণাৰ মূল উদ্দেশ্য।
- অসমীয়া চলচ্চিত্ৰত পৰিৱেশক কেৱল প্ৰেক্ষাপট হিচাপে নহয়, এটা সক্ৰিয় সামাজিক "চৰিত্ৰ" হিচাপে কেনেকৈ ব্যৱহাৰ কৰা হৈছে, সেই সম্পৰ্কে বিশ্লেষণ কৰা।
- পুৰুষতান্ত্ৰিক সমাজব্যৱস্থাই কেনেকৈ একে সময়তে নাৰী আৰু পৰিৱেশ দুয়োকে শোষণ কৰি আহিছে ,এনেবোৰ দিশ বিশ্লেষণৰ জৰিয়তে লিংগ সমতা আৰু পাৰিৱেশিক বহনক্ষমৰ ওপৰত পাঠকৰ দৃষ্টি আকৰ্ষণ কৰা।

**গৱেষণাৰ পৰিসৰ**

গৱেষণা পত্ৰখনত সকলো যুগৰ বা সকলো ধাৰাৰ অসমীয়া চলচ্চিত্ৰ অন্তৰ্ভুক্ত হোৱা নাই। গৱেষণাৰ পৰিসৰত বিষেশকৈ একবিংশ শতিকাৰ অসমীয়া চলচ্চিত্ৰ চাৰিখন ক্ৰমে ভাস্কৰ হাজৰিকাৰ পৰিচালিত *কথানদী* (২০১৫), ৰীমা দাস পৰিচালিত *ভিলেজ ৰকষ্টাৰছ* (২০১৭), *ভিলেজ ৰকষ্টাৰছ টু* (২০২৪) আৰু *বুলবুল কেন চিং* (২০১৮) — ক অধ্যয়নৰ পৰিসৰত সামৰি লোৱা হৈছে।

**গৱেষণাৰ পদ্ধতি আৰু উৎস**

প্ৰকৃতি আৰু নাৰী : অসমীয়া নিৰ্বাচিত চলচ্চিত্ৰত পাৰিপাৰ্শ্বিক নাৰীবাদী দৃষ্টিভংগীৰ এক অৱলোকন — গৱেষণাটি অধ্যয়ন কৰোঁতে Qualitative Film-Based Analytical Method অনুসৰণ কৰা হৈছে। গৱেষণাটোত ঘাইকৈ ব্যৱহৃত পদ্ধতিসমূহ হৈছে – পাঠ্য বিশ্লেষণ পদ্ধতি ( Textual Analysis Method); য'ত নিৰ্বাচিত চলচ্চিত্ৰসমূহক মূল টেক্স বা পাঠ হিচাপে লোৱা হৈছে। দ্বিতীয়তে, চিহ্ন বিশ্লেষণ পদ্ধতি ( semiotic method)। চলচ্চিত্ৰত ব্যৱহৃত প্ৰাকৃতিক উপাদানসমূহ যেনে: নদ-নদী, বন, মাটি, বৰষুণ, খেতি, ঋতু আদি কেনেকৈ নাৰীৰ দেহ আৰু অভিজ্ঞতাৰ প্ৰতীক হৈ উঠিছে; প্ৰকৃতি কিদৰে প্ৰতিবাদী ভাষা হৈ উঠিছে এই পদ্ধতিৰ জৰিয়তে বিশ্লেষণ কৰা হৈছে।

গৱেষণাৰ প্ৰধান উৎসৰূপে বিষেশকৈ নিৰ্বাচিত অসমীয়া চলচ্চিত্ৰসমূহ আৰু পাৰিপাৰ্শ্বিকনাৰীবাদ সম্পৰ্কীয় বিভিন্ন তাত্ত্বিক আলোচনাসমূহক লোৱা হৈছে । লগতে গৌণ উৎসত নাৰীবাদী চলচ্চিত্ৰ তত্ত্ব ( feminist film theory) ৰ বিভিন্ন আলোচনা, অসমীয়া চলচ্চিত্ৰৰ সম্পৰ্কীয় আলোচনা আদি লোৱা হৈছে ।

**পাৰিপাৰ্শ্বিক নাৰীবাদী তত্ত্ব**

সাহিত্যত প্ৰকৃতি সম্পৰ্কীয় উদ্বেগ অথবা সচেতনতাৰ ফলত এটি নতুন দাৰ্শনিক তত্ত্বৰ জন্ম হয়। সেই তত্ত্বটো হ 'ল পাৰিপাৰ্শ্বিক সাহিত্য সমালোচনা। এই পাৰিপাৰ্শ্বিক সাহিত্য সমালোচনা অন্তৰ্গত বিষয়সমূহৰ অধ্যয়নৰ ক্ষেত্ৰত কিছুমান বিশেষ অৱধাৰণা সামৰি লোৱা হৈছে। এই অৱধাৰণাসমূহৰ ভিতৰৰ পাৰিপাৰ্শ্বিক নাৰীবাদ এনে এক অৱধাৰণা য 'ত পৰিৱেশ তথা প্ৰকৃতিৰ লগত নাৰীৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰা হয়। পাৰিপাৰ্শ্বিক নাৰীবাদৰ ইংৰাজী প্ৰতিশব্দ হৈছে 'Ecofeminism'। পোনপ্ৰথমে ফ্ৰান্সৰ নাৰীবাদী লেখক ফ্ৰঁচোৱা ডিউৰেনে ( Francoise d' Eaubonne) ১৯৭৪ চনত "Feminism or Death" (Le Féminisme ou la Mort)[১] শীৰ্ষক গ্ৰন্থত ecofeminisme শব্দটো ব্যৱহাৰ কৰিছিল। তেওঁ এই গ্ৰন্থখনত পৰিৱেশ প্ৰদূষণ, পৰিৱেশ অৱনতি, অতিমাত্ৰা জনসংখ্যা বৃদ্ধি আদি কাৰকসমূহ পিতৃতান্ত্ৰিক সমাজৰ বুলি দোষাৰোপ কৰিছে আৰু নাৰী আৰু প্ৰকৃতিৰ মাজৰ সম্বন্ধৰ বিশেষত্বক গুৰুত্ব দিয়াৰ লগতে প্ৰকৃতি ৰক্ষাৰ ক্ষেত্ৰত নাৰীৰ প্ৰয়োজনীয়তা সম্পৰ্কে গুৰুত্ব দিছে। পাৰিপাৰ্শ্বিক নাৰীবাদী ধাৰণাটো প্ৰায় ১৯৭৬ চনত আমেৰিকা যুক্তৰাষ্ট্ৰত ইনেষ্ট্ৰা কিং এ ভাৰ্মন্টৰ Institute for Social Ecology ত পাঠ্যক্ৰমৰূপে বিকশিত কৰে। আৰু পিছৰ পৰ্যায়ত এই ধাৰণাই এক সামাজিক আন্দোলনৰ ৰূপ লয়। পাৰিপাৰ্শ্বিক নাৰীবাদী সমালোচকসকলৰ ভিতৰত ছ'ছান গ্ৰীফিন, শ্বেৰী অৰ্টনাৰ ( Is

Female to Male as Nature is to Culture?,1974) কেৰলিন মাৰ্চেন্ট আদিৰ নাম উল্লেখযোগ্য। দাৰ্শনিক কেৰেন ৱাৰেনৰ উল্লেখ কৰা অনুসৰি—

> পাৰিপাৰ্শ্ব নাৰীবাদী নৈতিকতা মূলত নাৰী আৰু প্ৰকৃতি উভয়তে পুৰুষ আধিপত্যৰ এক সমালোচনা আৰু নাৰী তথা প্ৰকৃতি সন্দৰ্ভত বিদ্যমান পিতৃতান্ত্ৰিক পক্ষপাতৰ পৰা মুক্ত এক নৈতিক পৰিকাঠামো গঢ়ি তোলাৰ প্ৰয়াস। ই কেৱল নাৰীৰ বহুস্বৰক স্বীকৃতি দিয়াই নহয় —জাতি, শ্ৰেণী, বয়স আৰু জাতিগত পৰিস্থিতিৰ ভিন্ন ভিন্ন অৱস্থানত অৱস্থিত নাৰীৰ কণ্ঠসমূহক কেন্দ্ৰস্থ স্থান দিয়ে। পাৰিপাৰ্শ্বিক নাৰীবাদী প্ৰাধান্যশীল ভাষ্যসমূহত সাধাৰণতে উপেক্ষিত বা অৱমূল্যায়িত হোৱা ব্যক্তিসকলৰ বহু দৃষ্টিভংগীৰ ওপৰত ভিত্তি কৰি গঢ় লয়। উদাহৰণস্বৰূপে, চিপকো আন্দোলনৰ নাৰীসকলৰ অভিজ্ঞতা ব্যৱহাৰ কৰি নাৰী আৰু প্ৰকৃতিৰ শোষণত পুৰুষ আধিপত্যৰ ভূমিকা সন্দৰ্ভত এক বিশ্বব্যাপী দৃষ্টিভংগী বিকাশ কৰা হয়। পাৰিপাৰ্শ্বিক নাৰীবাদী দৃষ্টিভংগী তাত্ত্বিকভাৱে বহুমুখী , বহুবাচনিক (pluralistic), গতিশীল আৰু পৰিস্থিতিনিৰ্ভৰ। ই নিৰ্দিষ্ট আৰু বাস্তৱ উদাহৰণৰ মাজেৰে দেখুৱাই যে লিঙ্গবাদী আৰু প্ৰকৃতিবাদী আচৰণসমূহ বুজিবলৈ সামাজিক আৰু সাংস্কৃতিক প্ৰেক্ষাপটে কেনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। [২]

পাৰিপাৰ্শ্বিক নাৰীবাদৰ দুটা ভাগ হৈছে সাংস্কৃতিক পাৰিপাৰ্শ্বিক নাৰীবাদ আৰু সামাজিক পাৰিপাৰ্শ্বিক নাৰীবাদ । ভাৰতীয় আৰু আন ভিন্ন সংস্কৃতিৰ মতে, নাৰীৰ সৈতে প্ৰকৃতিৰ কিছুমান বিশেষ সম্পৰ্ক আছে, যিসমূহ পুৰুষৰ ক্ষেত্ৰত দেখা পোৱা নাযায়। নাৰীৰ শৰীৰ গঠন ঋতুস্ৰাৱ, গৰ্ভাৱস্থা, প্ৰসৱ, আৰু স্তনপানৰ লগত জড়িত । যাৰ বাবে নাৰী সদায় কলংক, অস্পৃশ্য, ঘৰৰ ভিতৰতে আবদ্ধ আছিল। কিন্তু এনে সকলোৰে পৰা পুৰুষ আছিল মুক্ত। বহুতো সাংস্কৃতিক পাৰিপাৰ্শ্বিক নাৰীবাদীয়ে প্ৰাগঐতিহাসিক কালৰ এনে এটা যুগ উদযাপন কৰে যেতিয়া প্ৰকৃতিক আৰু নাৰীক জীৱনদায়িনী সত্তা হিচাপে উচ্চস্থান দিয়া হৈছিল। আনহাতে সামাজিক পাৰিপাৰ্শ্বিক নাৰীবাদে সকলো ধৰণৰ সামাজিক অত্যাচাৰ যেনে: জাতি, শ্ৰেণী, লিংগ, আৰু পাৰিৱেশিক– ৰ লগত একেলগে যুঁজ দিয়াৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।সামাজিক পাৰিপাৰ্শ্বিক নাৰীবাদ হৈছে পুৰুতান্ত্ৰিক সমাজৰ দ্বাৰা নাৰীৰ আৰু প্ৰকৃতিৰ ওপৰত চলাই অহা শোষণ আৰু আধিপত্যৰ সামাজিক সংযোগৰ অধ্যয়ন।

১৯৭০ চন আৰম্ভণিতেই উন্মেষ ঘটা পাৰিপাৰ্শ্বিক নাৰীবাদৰ পৰিবেশ সম্পৰ্কীয় আন্দোলনৰ প্ৰভাৱ ভাৰততো পৰিছিল। পাশ্চাত্যত বিকাশ লাভ কৰা এই আন্দোলনৰ প্ৰভাৱ ভাৰতীয় প্ৰেক্ষাপটত তিনিটা বিশেষত মুখ্য ভূমিকা গ্ৰহণ কৰিছিল। বিষ্ণুই আন্দোলন ( Bishnoi movement, 1643), এন্টি এৰেক আন্দোলন ( Anti arrack movement, 1992), চিপকো আন্দোলন ( chipko movement, 1973)। পাৰিপাৰ্শ্বিক নাৰীবাদে চিনাক্ত কৰিছে যে, ঐতিহাসিকভাৱে পুৰুষ সমাজতকৈ নাৰী প্ৰকৃতিৰ বিভিন্ন সমস্যাসমূহৰ লগত ব্যাপকভাৱে সম্বলিত আৰু প্ৰকৃতি সম্পৰ্কীয় সমস্যাসমূহক লৈ নাৰীসকল অধিক পৰিমাণে চিন্তিত। ইয়াৰ প্ৰতিকাৰৰ বাবে নাৰীসকলে পুৰুষতকৈ অধিক সক্ৰিয়ভাৱে আগভাগ লোৱাটো

পৰিলক্ষিত হয়। পাৰিপাৰ্শ্বিক নাৰীবাদৰ পাৰিভাষিক অৰ্থ হৈছে ই এটা ধাৰণা, যি ধাৰণা অনুসৰি নাৰী আৰু প্ৰকৃতিৰ মাজত এক সাদৃশ্য বিচাৰ কৰা হয়। সৃষ্টিৰ পাতনিত উৰ্বৰতা শক্তিৰ বাবে প্ৰকৃতিক স্ত্ৰী (লিংগৰ ক্ষেত্ৰত) ৰূপে গণ্য কৰা হয়। নাৰীৰ দৰেই প্ৰকৃতিও আমাৰ বাবে মাতৃতুল্য , কিয়নো যিদৰে এগৰাকী মাতৃয়ে নিজৰ সন্তানক দুগ্ধ পান কৰাই তুলি -তালি ডাঙৰ-দীঘল কৰে ঠিক একেদৰেই প্ৰকৃতিয়েও জীৱন ধাৰণৰ সকলো আহিলা যোগান ধৰি মানৱ জাতিক প্ৰতিপালন কৰি আহিছে। সেয়ে প্ৰকৃতি আৰু নাৰী দুয়ো লালন-পালনৰ ক্ষেত্ৰত সমতুল্য। প্ৰকৃতি আৰু নাৰীক সমভাৱে প্ৰাধান্য দিয়াৰ প্ৰাসংগিকতা বৰ্তমান সময়ত অতিকৈ গুৰুত্বপূৰ্ণ। পাৰিপাৰ্শ্বিক নাৰীবাদে সংস্কৃতি , অৰ্থনীতি, ধৰ্ম, ৰাজনীতি, সাহিত্যত নাৰী আৰু প্ৰকৃতিৰ মাজৰ সম্পৰ্ক অন্বেষণ কৰাৰ লগতে প্ৰকৃতি আৰু নাৰীৰ ওপৰত হোৱা অত্যাচাৰৰ মাজৰ সামঞ্জস্যবোৰ অধ্যয়ন কৰে। পাৰিপাৰ্শ্বিক নাৰীবাদে পুৰুষপ্ৰধান সমাজত সহজে দৃষ্টিগোচৰ হোৱা সমস্যাসমূহ বিবেচনা কৰি সাহিত্যৰ জৰিয়তে সমাধানৰ চেষ্টা কৰে। সাধাৰণ অৰ্থত ক'বলৈ হ'লে পাৰিপাৰ্শ্বিক নাৰীবাদৰ জৰিয়তে প্ৰকৃতি আৰু নাৰীৰ সামগ্ৰিক স্থিতি তথা সামাজিক অৱস্থিতি সম্পৰ্কীয় অধ্যয়ন সম্পূৰ্ণ হয়।

**অসমীয়া নিৰ্বাচিত চলচ্চিত্ৰত পাৰিপাৰ্শ্বিক নাৰীবাদী বিশ্লেষণ**

চলচ্চিত্ৰসমূহত সমাজৰ সকলো শ্ৰেণীৰ নাৰী-পুৰুষৰ জীৱন্ত চিত্ৰ, সমাজৰ বাস্তৱ ৰূপ, পৰম্পৰাগত সমাজ, লোকজীৱনৰ অভিজ্ঞতাৰ বিচিত্ৰ সমলৰ উপৰিও নাৰী আৰু প্ৰকৃতিৰ মাজৰ অবিচ্ছেদ্য সম্পৰ্কই স্থান পাইছে। বৰ্তমান প্ৰেক্ষাপটত চলচ্চিত্ৰত প্ৰকৃতি আৰু নাৰীৰ মাজৰ পাৰস্পৰিক আন্তঃসম্পৰ্কৰ পৰ্যবেক্ষনে এক গভীৰ বিশ্বাসৰূপে স্বীকৃতি লাভ কৰিছে। প্ৰজনন প্ৰক্ৰিয়াত অন্তৰ্নিহিত দুটা পৃথক লিংগৰ সক্ৰিয় ভূমিকাৰ অভিজ্ঞতাৰ পৰাই প্ৰকৃতিৰ ওপৰতো বিভাজিত লিংগৰ ধাৰণা নিৰ্দেশে এক গুৰুত্বপূৰ্ণ দিশক প্ৰতিফলিত কৰিছে। ঠিক একেদৰে উৰ্বৰতা শক্তিৰ সূত্ৰেই নাৰীক প্ৰকৃতিৰ লগত সমতুল্য জ্ঞান কৰাৰ ফলত সৃষ্টি হোৱা বিশ্বাস, সংস্কাৰ প্ৰথা, লোকাচাৰ আদি পুৰণি কালৰ পৰাই পৰম্পৰাগতভাৱে আমাৰ জীৱন আৰু লোককথাসমূহতো প্ৰচলিত হৈ আছে। অসমৰ এনে কেইটামান পৰম্পৰাগত লোককথাৰ আধাৰতে নিৰ্মাণ কৰা হৈছে ***কথানদী*** চলচ্চিত্ৰ। অসমীয়া সাহিত্যৰ প্ৰাণ প্ৰতিষ্ঠাতা লক্ষ্মীনাথ বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু' ৰ – তেজীমলা, চম্পাৱতী, ঔ কুঁৱৰী আৰু তাৱৈৰ যাদু এই চাৰিটা সাধুৰ আধাৰত কথানদী চলচ্চিত্ৰ নিৰ্মাণ কৰা হৈছে। চলচ্চিত্ৰৰ নাৰী চৰিত্ৰসমূহ আৰু প্ৰকৃতি দুয়ো এটা আনটোৰ পৰিপূৰক আৰু একেটা মুদ্ৰাৰে ইপিঠি -সিপিঠি। মাহীমাকৰ অত্যাচাৰত মৃত্যু হোৱা তেজীমলাক শেষত প্ৰকৃতিয়ে নিজৰ বুকুত ঠাই দিছে। আনহাতে কেতেকীয়ে ঔটেঙা এটা সন্তানৰূপে জন্ম দিয়াৰ প্ৰতীকটোৱে নাৰী আৰু প্ৰকৃতিৰ মাজৰ সম্পৰ্কৰ কথাকে প্ৰকাশ কৰিছে। চলচ্চিত্ৰখনত নাৰীৰ শোষণ, পিতৃতান্ত্ৰিক সমাজৰ দ্বাৰা নাৰীৰ ওপৰত হোৱা নিয়ন্ত্ৰণ, নাৰী আৰু প্ৰকৃতিৰ সম্পৰ্ক, প্ৰকৃতিৰ হিংস্ৰ ৰূপ আদি দিশবোৰো পাৰিপাৰ্শ্বিক নাৰীবাদৰ বিভিন্ন তাত্বিক ধাৰণাক সুন্দৰভাৱে উপস্থাপন কৰিছে। নাৰী চৰিত্ৰসমূহক মাতৃ , ত্যাগ তথা বলিদানৰ, লগতে হিংসাৰ প্ৰতীকৰূপে দেখুওৱা হৈছে। মালতীয়ে স্বামী আৰু তেওঁৰ খুৰাকৰ কথামতেই নিজৰ তিনিওটা সন্তান জন্ম লগে লগেই আহুতি দিবলগা হৈছে; ধনেশ্বৰীৰ লালসাৰ ফলস্বৰূপে তাইৰ জীয়েকক অজগৰে গিলিছে, প্ৰকৃতিৰ পৰা জোৰ কৰি সুবিধা আদায় কৰিব খোজাৰ বাবেই পিছত প্ৰকৃতিয়েই হিংস্ৰৰূপ ধাৰণ কৰে। তেনেদৰে চলচ্চিত্ৰখনত

তেজীমলাৰ মাহীমাক (চেনেহী) ৰ লোভী, অত্যাচাৰী আৰু হিংসুক ৰূপক ৰাতিৰ এটা দানৱৰ লগত দেখুৱাইছে, এখন নাওত ৰাতি তাই দানৱটোৰ ওচৰলৈ যায়। দানৱে তাইৰ লগত কথা পাতে আৰু তেজিমলাক হত্যা কৰি স্বামীৰ সকলো ধন পাবলৈ তাইক পথ প্ৰদৰ্শন কৰে। সমাজৰ বিভিন্ন অন্ধ আৰু ধৰ্মীয় বিশ্বাসে নাৰীৰ জীৱন দুৰ্বিসহ কৰি তুলিছে। কাহিনীৰ আৰম্ভণিৰ দৃশ্যত অসহায় কেতেকীৰ অৱস্থাটোৱে স্পষ্ট কৰিছে যে কেতেকীয়ে মানুহৰ ঠাইত ঔটেঙা এটা জনম দিয়াৰ বাবে সমাজে তাইক গাৱঁৰ পৰা বহিষ্কাৰ কৰিছে। মালতীৰ স্বামীয়েও অন্ধবিশ্বাসৰ বশৱৰ্তী হৈ এটা এটাকৈ তিনিটা তাইৰ নৱজাত শিশুক হত্যা কৰিছে; যেন নাৰীৰ গৰ্ভ পূৰ্ব জন্মৰ পাপ, ভূত আদিৰ বাহক হে। নাৰীৰ প্ৰতি এনে হিংসা যেনে: শিশু হত্যা, নাৰীৰ ওপৰত হোৱা অত্যাচাৰ , শোষণ আদি কেৱল ব্যক্তিগত হিংসা নহয়, ই হৈছে সামাজিক হিংসা। য'ত পুৰুতান্ত্ৰিক সমাজখনে নাৰীৰ শোষণ কৰিবলৈ প্ৰকৃতিকেই অস্ত্ৰৰূপে ব্যৱহাৰ কৰিব লৈছে। উদাহৰণস্বৰূপে : মালতীৰ স্বামীয়ে সন্তান কেইটাৰ হত্যা কৰিছে ৰাতিৰ অন্ধকাৰৰ ডাঠ হাবিত। চেনেহীয়ে তেজীমলাৰ মৃতদেহটো পুতি সেই পাপ ঢাকিবৰ বাবেই তাত ৰুইছে এটা গছৰ পুলি। এনেক্ষেত্ৰত এন্ধাৰ হাবি আতংক আৰু হিংসাৰ প্ৰতীক হৈ পৰিছে ; এজোপা গছৰ পুলি জীৱনৰ উৎস নহৈ যেন পলায়নৰ হে উৎস হৈ পৰিছে।

কেতেকী আৰু ঔটেঙা, তেজীমলাৰ লগত প্ৰকৃতি সম্পৰ্ক, মালতীৰ মমতা, ত্যাগ আদিৰ চিত্ৰ সাংস্কৃতিক পাৰিপাৰ্শ্বিক নাৰীবাদী দৃষ্টিৰে চোৱা হৈছে। "বিজ্ঞান বিৰোধী, প্ৰযুক্তি বিৰোধী দৃষ্টিকোণৰ পৰা উদ্ভৱ হোৱা সাংস্কৃতিক পাৰিপাৰ্শ্বিক নাৰীবাদে দেৱী পূজা, চন্দ্ৰ, জীৱ-জন্তু আৰু নাৰীৰ প্ৰজনন ব্যৱস্থাক কেন্দ্ৰ কৰি প্ৰাচীন অনুষ্ঠানৰ পুনৰুজ্জীৱনৰ জৰিয়তে নাৰী আৰু প্ৰকৃতিৰ মাজৰ সম্পৰ্কক উদযাপন কৰে। যি দৃষ্টিভংগীত প্ৰকৃতিক মাতৃ আৰু দেৱী হিচাপে সন্মান কৰা হয়, সেই দৃষ্টিভংগী প্ৰেৰণা আৰু সবলীকৰণৰ উৎস।"[৩]

ৰীমা দাসৰ ***ভিলেজ ৰকষ্টাৰছ*** আৰু ***ভিলেজ ৰকষ্টাৰছ টু*** (ছিকুৱেল) এই দুয়োখন চলচ্চিত্ৰই অসমীয়া পাৰিপাৰ্শ্বিক নাৰীবাদী ধাৰণাৰ চলচ্চিত্ৰৰ এক জনপ্ৰিয় উদাহৰণ। চলচ্চিত্ৰৰ কাহিনীটো এখন পিছপৰা দৰিদ্ৰ গাৱঁৰ ধুনু আৰু তাইৰ ৰুগীয়া মাতৃৰ। সৰুৰে পৰাই তাইৰ ৰকষ্টাৰ হোৱাৰ সপোন। কাহিনীটোত ধুনু চৰিত্ৰৰ মাজেৰে নাৰী , প্ৰকৃতি, সমাজৰ সংঘাতপূৰ্ণ বাস্তৱ জীৱনৰ অংকন কৰা হৈছে। প্ৰকৃতি আৰু নাৰী এই দুয়োটা বিষয়কে সাদৃশ্যমূলক চিন্তাৰ আঁওতালৈ অনাৰ মূল কাৰণ হৈছে নাৰীৰ সন্তান জন্ম দিয়া কাৰ্য আৰু ধৰিত্ৰী পৰা শস্য উৎপাদিত হোৱা কাৰ্য এই দুয়োটা সমধৰ্মী প্ৰক্ৰিয়াক কেন্দ্ৰ কৰিয়েই নাৰী আৰু প্ৰকৃতি পাৰস্পৰিকভাৱে তুলনীয় বুলি বিবেচিত হৈছে। পাৰিপাৰ্শ্বিক নাৰীবাদী সমালোচকৰ মতে পুৰুষতান্ত্ৰিক সমাজখনে অতীজৰে পৰা নাৰী আৰু প্ৰাকৃতিক কেৱল উৎপাদনশীল আহিলা হিচাপেই ব্যৱহাৰ কৰি আহিছে। এটা শস্যৰ পুলিক যেনেকৈ উৎপাদন কৰিবৰ যোগ্যেৰে সাৰ -পানী যোগান ধৰা হয়, ঠিক তেনেদৰেই সৰুৰে পৰা এগৰাকী নাৰীক সেই উদ্দেশ্যেই কেৱল পুৰুষৰ সেৱাৰ উদ্দেশ্যেই সযতনে ডাঙৰ দীঘল কৰায়। ধুনুৱে গান গাই ভাল পাই , লগৰ ল'ৰাৰ পথাৰত খেলি, গছত উঠি ভাল পায়। কিন্তু ছোৱালী এজনীৰ এনে আচৰণ গাঁৱৰ ৰাইজে ভাল নপা i বাৰে বাৰে তাইক ৰাইজে এৰা দিব বুলি সকীয়নি দিয়ে। পিতৃৰ মৃত্যুৰ পিছত ধুনুৰ মাকেই ঘৰখনৰ একমাত্ৰ উৎপাদন কৰোঁতা। ৰুগীয়া দেহাৰেই খেতি কৰা, খৰি ফলা, তাত বোৱা আদি কাম কৰি ঘৰলৈ দুবেলা দুসাজ ভাতৰ যোগান ধৰে। " women

are the farmers. But it is invisible."[8] ধুনুৰ মাকেই সিহঁতৰ ঘৰৰ জীৱনদায়িনী শক্তি। আজি যুগ যুগ ধৰি যিদৰে প্ৰকৃতিয়ে মানৱ সমাজৰ ভৰণপোষণ আৰু সুৰক্ষা কৰি কেতিয়াও ক্লান্ত হোৱা নাই থিক তেনেদৰে এগৰাকী নাৰীয়ে (ধুনুৰ মাক) স্বাস্থ্য ভাগি পৰা অৱস্থাটো নিজৰ ঘৰখনৰ যতন লৈ আহিছে। ধুনুৰ কাহিনী নাৰী আৰু প্ৰকৃতিৰ মাজত গঢ়ি উঠা সম্পৰ্ক। তাই গছৰ তলত গীতৰ বজাই, গান গাই ভাল পাই, বোকা- বৰষুণত তিতি বুৰি, ধূলি- বালিৰে সৈতে খেলি, জীৱ – জন্তুৰ লগত কথা পাতি ভাল পায়। প্ৰকৃতিৰ মাজতেই তাই নিজৰ অস্তিত্ব বিচাৰি ফুৰে আৰু কয় : "মই তোৰ বন্ধু তই মোৰ বন্ধু"।এইদৰে চলচ্চিত্ৰখনত সাংস্কৃতিক পাৰিপাৰ্শ্বিক নাৰীবাদৰ এটা গুৰুত্বপূৰ্ণ দিশ চকুত পৰে – প্ৰকৃতিৰ মাজত নাৰীৰ মুক্তি। ধুনুৰ সংগীত সাধনাও আৰম্ভ হয় প্ৰকৃতিৰ বুকুতে। কিন্তু যেতিয়া প্ৰকৃতিলৈ দুৰ্যোগ নামি আহে নাৰীৰ জীৱনলৈও তেতিয়া ভয়ংকৰ সংকট। চলচ্চিত্ৰ নিৰ্মাতাই কেইবাবাৰো ধুনুৰ মুখেৰে এই কথা জানিবলৈ দিছে যে গাওঁখনত হে অহা এনে এটা ডাঙৰ বানপানীতে তাইৰ দেউতাকৰ মৃত্যু হৈছিল। যি দুৰ্ঘটনাই তাই আৰু মাকৰ জীৱনলৈ লৈ আনিছিল অন্ধকাৰ। লগতে এনে সংকটে তাইৰ শিক্ষা, সপোন, স্বাধীনতাও সীমিত কৰিছিল। দুয়োখন চলচ্চিত্ৰতে প্ৰকৃতিৰ লগত নাৰীৰ এই যুঁজখনে বিশেষ গুৰুত্ব লাভ কৰিছে। ধুনুৰ মাকে কৈছে : "মই তোৰ মাইৰে, মাটিখিনিও তোৰ মাইৰে। " সমালোচক জন ষ্টুৱাৰ্ট এ এই কথাকে এনেদৰে প্ৰকাশ কৰে : Our Mother Earth who is a source of our physical nourishment and our spiritual strength.[৫] ভিলেজ ৰকষ্টাৰছ টু ত দেখা পাওঁ যে প্ৰাকৃতিক দুৰ্যোগ আৰু প্ৰকৃতিৰ ওপৰত হোৱা অত্যাচাৰৰ প্ৰভাৱ ধুনুৰ জীৱনতো পৰিছে। ফলত তাইৰ স্বপ্ন আৰু বাস্তৱ জীৱনৰ মাজত আহি পৰিছে বৃহৎ ব্যৱধান। পিতৃপ্ৰধান সমাজৰ দুৰ্নীতিয়ে প্ৰকৃতিক শোষণৰ অস্ত্ৰৰূপে ব্যৱহাৰ কৰিছে , সিমানেই নাৰীৰ জীৱন সংঘাতময় হৈ পৰিছে। চলচ্চিত্ৰখনত ধুনু আৰু গাৱঁৰ সকলো নাৰীয়ে পৰিৱেশ ধ্বংস , ভূমি দখলৰ বিৰোধিতা কৰে। উল্লেখযোগ্য যে প্ৰকৃতি ৰক্ষাৰ হেতু নাৰীৰ এনে আন্দোলন ভাৰতীয় ইতিহাসতো চিৰস্মৰণীয়। পুৰুষে যেনেকৈ প্ৰকৃতিৰ ওপৰত নিয়ন্ত্ৰণ লাভ কৰিব বিচাৰে, তেনেদৰেই নাৰীৰ সিদ্ধান্ত আৰু জীৱনো নিয়ন্ত্ৰণ কৰিব বিচাৰে।

*বুলবুল কেন চিং* চলচ্চিত্ৰ খনত সমাজ, নাৰীৰ জীৱন, লাজ, নাৰীৰ জীৱনৰ ওপৰত সমাজৰ নিয়ন্ত্ৰণ, প্ৰকৃতি আৰু নাৰীৰ সম্পৰ্ক এনে বিভিন্ন দিশ সামৰি লোৱা হৈছে। এনেস্থলত চলচ্চিত্ৰখনক পাৰিপাৰ্শ্বিক নাৰীবাদী বিশ্লেষনেৰে আলোচনা কৰিব পাৰি। 'Bulbul can sing', কিন্তু কেৱল প্ৰকৃতিৰ মাজত। পিতৃতান্ত্ৰিক সমাজখনে তাইৰ কণ্ঠ ৰোধ কৰে। যিদৰে আধুনিক সমাজখনে প্ৰকৃতিৰ মাত ৰোধ কৰি আহিছে। বুলবুল আৰু তাইৰ সমনীয়াই পথাৰৰ গছ -বনৰ মাজতে হাঁহি ধেমালি কৰি শান্তি পায়। সমাজৰ পৰা আঁতৰি এনে বননিৰ মাজত, সমাজে ভয়ানক বুলি সকীয়নি দিয়াৰ পিছতো ( যি ঠাইক সেই গাঁৱৰ মানুহে ভূতে পোৱা ঠাই বুলি কয়) সমনীয়াৰ লগত সমাজৰ চকুৰে ঢুকি নোপোৱাকৈ মুক্ত মনে বুলবুল আৰু তাইৰ সমনীয়াই সময় পাৰ কৰে। চলচ্চিত্ৰখনত দেখুওৱাৰ দৰে সিহঁতে কেৱল বন , পথাৰ, পানী, নদী — প্ৰকৃতিৰ মাজতে মুক্ত মনে হাঁহে, গান গায়, খেলে, কথা কয়, নিজৰ ইচ্ছা প্ৰকাশ কৰে। অৰ্থাৎ প্ৰকৃতিৰ মাজতেই নাৰীয়ে স্বাধীনতা বিচাৰি পায়। পুৰুষতান্ত্ৰিক সমাজখনে নাৰীৰ স্বাধীনতাক পৱিত্ৰতা , শুদ্ধ, ভাল- বেয়া আদিৰে নিয়ন্ত্ৰণ কৰিব বিচাৰে। এই সমাজখনেই নাৰীয়ে প্ৰকৃতিৰ মাজতে বিচাৰি পোৱা স্বাধীনতাকো সন্দেহৰ আৱৰ্তত আনিছে। নাৰী আৰু প্ৰকৃতিৰ প্ৰতি এনে

দৃষ্টিভংগী পাৰিপাৰ্শ্বিক নাৰীবাদী আলোচনাতে সাঙোৰ খাই পৰিছে। নিৰ্জন পাহাৰ , নদীৰ পাৰ, নিৰ্জন হাবি আদিবোৰত অকলশৰে যোৱা নাৰী সকলোৰে সন্দেহৰ পাত্ৰী। উদাহৰস্বৰূপে: বয়সসন্ধি জীৱনত বুলবুল আৰু তাইৰ সমনীয়া বনি আৰু সুমন সমাজৰ পৰা দূৰৈৰ পাহাৰত থকা অৱস্থাত এচাম মানুহে দেখা পাই এনে নিৰ্জন ঠাইত কৈশোৰ কালত অনৈতিক কাম কৰা বুলি সন্দেহ কৰি সিহঁতক গোটেই সমাজৰ আগত অপদস্ত কৰে, স্কুলৰ পৰা বহিষ্কাৰ কৰে। অপযশ সহ্য কৰিব নোৱাৰি বুলবুলৰ সমনীয়া বনিয়ে আত্মহত্যা কৰে। গতিকে সমাজত নাৰী আৰু প্ৰকৃতিৰ বাবে এনে নৈতিক মূল্যবোধবোৰ নিৰ্ধাৰণ আৰু নিয়ন্ত্ৰণ কৰে কেৱলমাত্ৰ পুৰুষে

**সামৰণি**

অসমীয়া চলচ্চিত্ৰৰ ধাৰাত পাৰিপাৰ্শ্বিক, নাৰীবাদী আদি ধাৰণা একেবাৰে নতুন বিষয় নহয়। ইয়াৰ পূৰ্বতেও অসমীয়া চলচ্চিত্ৰত এনে পাৰিপাৰ্শ্বিক নাৰীবাদী দৃষ্টিভংগীৰ প্ৰয়োগ দেখা পোৱা গৈছে। যদিও ইয়াৰ প্ৰয়োগ সচেতন নাছিল। উক্ত গবেষণা পত্ৰখনে স্পষ্ট কৰিব পাৰে যে অসমীয়া চলচ্চিত্ৰসমূহ নাৰী আৰু প্ৰকৃতিৰ সম্পৰ্কক বুজিবলৈ এক গুৰুত্বপূৰ্ণ সাংস্কৃতিক পাঠ হোৱাৰ সম্ভাৱনা নিশ্চিতভাৱে আছে।

গৱেষণাৰ সিদ্ধান্ত :

- নাৰী আৰু প্ৰকৃতিৰ মাজৰ গভীৰ আন্তঃসংযোগ। নাৰী আৰু প্ৰকৃতিৰ মাজৰ জৈৱিক পাৰ্থক্যক আওকাণ কৰি নাৰী আৰু প্ৰকৃতিৰ সৈতে সহজীৱীভাৱে সহবাস কৰে।
- নিৰ্বাচিত চলচ্চিত্ৰসমূহত দেখা পোৱা গৈছে নাৰীৰ শাৰীৰিক গঠন ঋতুস্ৰাৱ , সন্তান জন্ম, স্তনপান, পুৰুতান্ত্ৰিকত সমাজখনে নিৰ্মিত বিভিন্ন সামাজিক, ধৰ্মীয় নীতি, অন্ধবিশ্বাস আদি অস্ত্ৰৰে নাৰী আৰু প্ৰকৃতিৰ ওপৰত সদায় শোষণ আৰু আধিপত্য বিস্তাৰ কৰি আহিছে।
- পাৰিপাৰ্শ্বিক নাৰীবাদৰ বিভিন্ন তাত্ত্বিক পৰিকাঠামোৰ মাজেৰে অসমীয়া চলচ্চিত্ৰ অধ্যয়নৰ সম্ভাৱনা আছে।

**প্ৰসংগ**

১ Merchant, Carolyn (1992). "Chapter 8". Radical ecology: the search for a livable world. New York: Routledge. P. 184

২ Merchant, Carolyn (2005). "Chapter 8". Radical ecology: the search for a livable world. New York: Routledge. P. 195

৩. Merchant, Carolyn (2005). "Chapter 8". Radical ecology: the search for a livable world. New York: Routledge. P. 202

৪. Vijayalakshmi, N.S; VetriSelvi, R.S. Journal of Emerging Technologies and Innovative Research, March 2019, Volume 6, Issue 3. ISSN-2349-5162. P 78

৫. Merchant, Carolyn (2005). “Chapter 8”. Radical ecology: the search for a livable world. New York: Routledge. P.204

**গ্ৰন্থপঞ্জী**

দাস, অৰুণলোচন।(২০১৭)। অসমীয়া চলচ্চিত্ৰৰ কাহিনী আৰু গীত। দ্বিতীয় সংস্কৰণ। শিশু শশী প্ৰকাশন। বৰা, তাপশ্ৰী আৰু বৰা, মৃগাক্ষী। প্ৰকৃতি আৰু নাৰী: পাৰিপাৰ্শ্বিক নাৰীবাদী দৃষ্টিভংগীৰে বেজবৰুৱাৰ বুঢ়ী আইৰ সাধুৰ নিৰ্বাচিত লোককথাৰ এক অৱলোকন। Ethencity, Identity and Culture diversity. ISBN: 978-93-488-5667-8. পৃ. ৩৬৭-৩৭৯

Merchant, Carolyn (2005). Radical ecology: the search for a livable world. New York: Routledge. Taylor and Francis group

MacDonald, Kevin.(2022). Film Theory: The Basics. New York: Routledge. Taylor and Francis group